**NSD NEWS BULLETIN**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 13-09-2026
**Time :** 1910 Hrs.

***Assamese Evening Bulletin***

**::::::::::::::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত বিশ্বৰ কেইবাগৰাকীও নেতাৰ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত হয়।

২। মহামাৰী প্ৰতিৰোধৰ প্ৰস্তুতিৰ ক্ষেত্ৰত দেশ বহু দূৰ আগুৱাই যোৱা বুলি মন্ত্ৰী ড০ জিতেন্দ্ৰ সিঙে প্ৰকাশ কৰিছে।

৩। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কাইলৈ মুম্বাইত ষষ্ঠ সৰ্বভাৰতীয় চৰকাৰী ভাষা সন্মিলন আৰু হিন্দী দিৱস ২০২৬ৰ আৰম্ভণি সত্ৰত ভাষণ দিব।

৪। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে অহা ১৭ ছেপ্তেম্বৰৰ পৰা ১৭ অক্টোবৰলৈ সেৱা সংকল্প অভিযান ৰূপায়ণ কৰা হ'ব বুলি প্ৰকাশ কৰিছে। *আৰু*

৫। ভাৰত আৰু আফগানিস্তানৰ মাজৰ টি-২০ ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেল খন্তেক পাছতে নতুন দিল্লীত অনুষ্ঠিত হ'ব।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নতুন দিল্লীৰ ভাৰত মণ্ডপমত আজি ব্ৰিকছ্ শীৰ্ষ সন্মিলন ২০২৬ত অংশগ্ৰহণ কৰাৰ সুযোগতে বিশ্বৰ কেইবাগৰাকীও নেতাৰ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত হয়। শ্ৰীমোদীয়ে কাজাখস্তানৰ ৰাষ্ট্ৰপতি কাছিম জ'মাৰ্ট ট'কায়েভক সাক্ষাৎ কৰি দ্বিপাক্ষিক সম্পৰ্কৰ প্ৰগতিৰ পৰ্যালোচনা কৰে। শ্ৰীমোদীয়ে কাজাখস্তানৰ সৈতে ভাৰতৰ দীৰ্ঘদিনীয়া মিত্ৰতাক সুঁৱৰি শেহতীয়া কেইবছৰমানত দেশ দুখনৰ মাজত দ্বিপাক্ষিক মিত্ৰতা অবিৰতভাৱে উন্নত হোৱা সন্দৰ্ভত সন্তুষ্টি প্ৰকাশ কৰে। দুয়োগৰাকী নেতাই ৰাজনীতি, বাণিজ্য, প্ৰতিৰক্ষা আৰু নিৰাপত্তা, সংযোগ, শক্তি, গুৰুত্বপূৰ্ণ খনিজাত দ্ৰব্য, শেহতীয়া প্ৰযুক্তি, সৃষ্টিশীল অৰ্থনীতি তথা জনসাধাৰণৰ মাজৰ পাৰস্পৰিক সম্পৰ্কক‌ে ধৰি বিভিন্ন ক্ষেত্ৰৰ সহযোগিতা সন্দৰ্ভত মত বিনিময় কৰে। তেওঁলোকে আঞ্চলিক আৰু আন্তঃৰাষ্ট্ৰীয় পৰিস্থিতি সন্দৰ্ভতো মত বিনিময় কৰে। নেতাদ্বয়ে অঞ্চলটোৰ প্ৰগতি আৰু সমৃদ্ধি, স্থিৰতা তথা শান্তিৰ লগতে দুয়োখন দেশৰ জনসাধাৰণৰ উমৈহতীয়া লাভালাভৰ বাবে কৌশলগত মিত্ৰতাক অধিক শক্তিশালী কৰাৰ হকে তেওঁলোকৰ সংকল্পক দোহাৰে।

প্ৰধানমন্ত্ৰীয়ে লগতে ইজিপ্তৰ ৰাষ্ট্ৰপতি আব্দেল ফাট্টাহ-এল-চিচিৰ সৈতেও বৈঠকত মিলিত হয়। দুয়োগৰাকী নেতাই ভাৰত-ইজিপ্তৰ মিত্ৰতা তথা আঞ্চলিক প্ৰগতিকে ধৰি বিভিন্ন বিষয় আলোচনা কৰা বুলি সামাজিক মাধ্যমৰ জৰিয়তে দিয়া শ্ৰীমোদীয়ে প্ৰকাশ কৰে। আনহাতে, ইণ্ডোনেছিয়াৰ ৰাষ্ট্ৰপতি প্ৰাবোৱো ছুবিয়ান্তোৰ সৈতে হোৱা সাক্ষাতৰ সময়ত শ্ৰীমোদীয়ে বিভিন্ন খণ্ড সামৰি দুয়োখন দেশৰ মিত্ৰতা শক্তিশালী হৈ থাকিব বুলি মত প্ৰকাশ কৰে। তেওঁ ইণ্ডোনেছিয়াৰ ৰাষ্ট্ৰপতিগৰাকীৰ ইতিবাচক মনোভাৱৰ শলাগ লয়। শ্ৰীমোদীয়ে ফিলিপাইনছৰ ৰাষ্ট্ৰপতি ফাৰ্ডিনাণ্ড আৰ মাৰ্কোছ্ জুনিয়ৰৰ সৈতেও মত বিনময় কৰে। দুয়োগৰাকী নেতাই সাম্প্ৰতিক দ্বিপাক্ষিক সহযোগিতাৰ প্ৰগতি সন্দৰ্ভত সন্তুষ্টি প্ৰকাশ কৰাৰ লগতে প্ৰতিৰক্ষা, সুৰক্ষা, বাণিজ্য, বিনিয়োগ, মহাকাশ, ৰে'ল আন্তঃগাঁথনি, বিত্ত প্ৰযুক্তি, শিক্ষা, পৰ্যটন, বিজ্ঞান, প্ৰযুক্তি, উদ্ভাৱন আৰু জনসাধাৰণৰ পাৰস্পৰিক সম্পৰ্কক‌ে ধৰি বিভিন্ন খণ্ডত সহযোগিতা অধিক গভীৰ কৰাৰ পোষকতা কৰে। বিগত বৰ্ষৰ আগষ্টত ৰাষ্ট্ৰপতিগৰাকীৰ চৰকাৰী ভাৰত ভ্ৰমণৰ সময়ছোৱাত গতি লাভ কৰা কৌশলগত মিত্ৰতা অধিক শক্তিশালী কৰাৰ হকেও দুয়োগৰাকী নেতাই মত প্ৰকাশ কৰে। দুয়োগৰাকী নেতাই

উমৈহতীয়া স্বাৰ্থজড়িত আঞ্চলিক আৰু গোলকীয় বিষয়সমূহ সন্দৰ্ভত মত-বিনিময় কৰাৰ লগতে কৌশলগত মিত্ৰতাৰ সকলো দিশতে সহযোগিতা শক্তিশালী কৰাৰ সংকল্প দোহাৰে। উগাণ্ডাৰ উপ-ৰাষ্ট্ৰপতি জেছিকা ৰজ এপেল অলুপ'ৰ সৈতে হোৱা সাক্ষাৎকালত প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে দেশ দুখনৰ মাজৰ দ্বিপাক্ষিক সম্পৰ্কৰ পৰ্যালোচনা কৰাৰ লগতে প্ৰযুক্তি সন্দৰ্ভত মিত্ৰতা, সামৰ্থ্য নিৰ্মাণ, অভিজ্ঞতা বিনিময়, বিনিয়োগৰ সুবিধা তথা ব্যক্তিগত খণ্ডৰ সহযোগিতাকে ধৰি উল্লেখযোগ্য দিশসমূহত সহযোগিতা অধিক বিকশিত কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। প্ৰধানমন্ত্ৰীগৰাকীয়ে লগতে দক্ষিণ আফ্ৰিকা আৰু বুৰুণ্ডিৰ ৰাষ্ট্ৰপতি তথা নাইজেৰিয়াৰ উপ-ৰাষ্ট্ৰপতিগৰাকীৰ সৈতেও দ্বিপাক্ষিক বৈঠকত মিলিত হয়।

উল্লেখযোগ্য যে বিগত তিনি দিনত প্ৰধানমন্ত্ৰীগৰাকীয়ে বিশ্বৰ বিভিন্ন প্ৰান্তৰ নেতাসকলৰ সৈতে ১৫খন দ্বিপাক্ষিক বৈঠকত মিলিত হৈছে।

০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰে আজি নতুন দিল্লীত ব্ৰিকছ শীৰ্ষ সন্মিলনত অংশগ্ৰহণ কৰাৰ সুযোগতে চৌদি আৰৱৰ বৈদেশিক মন্ত্ৰী প্ৰিন্স ফৈজল বিন ফাৰহান আল ছাউদৰ সৈতে এখন বিশেষ বৈঠকত মিলিত হয়। দুয়োগৰাকী নেতাই ভাৰত আৰু চৌদি আৰৱৰ মাজত দ্বিপাক্ষিক সহযোগিতা আগুৱাই নিয়াৰ লগতে গোলকীয় তথা আঞ্চলিক উন্নয়ন সন্দৰ্ভত মত-বিনিময় কৰে।

০০০০

দশকপূৰ্বে থকা প্ৰতিবন্ধকতা নেওচি মহামাৰী প্ৰস্তুতিৰ ক্ষেত্ৰত দেশ বহু দূৰ আগুৱাই যোৱা বুলি কেন্দ্ৰীয় বিজ্ঞান আৰু প্ৰযুক্তি মন্ত্ৰী ড০ জিতেন্দ্ৰ সিঙে প্ৰকাশ কৰিছে। তেওঁ কয় যে দেশে এটা শক্তিশালী জৈৱ অৰ্থনীতি গঢ়ি তোলাৰ লগতে প্ৰতিষেধক বিকাশৰ ক্ষেত্ৰতো উল্লেখযোগ্য সফলতা লাভ কৰিছে। তদুপৰি দেশৰ বৈজ্ঞানিক পৰিবেশতন্ত্ৰই ভৱিষ্যতে প্ৰাদুৰ্ভাৱ হ'ব পৰা মহামাৰী তথা অতিমাৰীৰ সন্মুখীন হ'বলৈ গোলকীয় প্ৰস্তুতি শক্তিশালী কৰি তোলাৰ ক্ষেত্ৰতো উল্লেখনীয় বৰঙণি যোগোৱা বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। নতুন দিল্লীত আজি মহামাৰী প্ৰস্তুতি সম্পৰ্কীয় উদ্ভাৱনৰ বাবে সমন্বয় গোটৰ পৰিষদ তথা বিনিয়োগকাৰী পৰিষদৰ উচ্চ পৰ্যায়ৰ এখন বৈঠকত তেওঁ এই কথা প্ৰকাশ কৰে। ড০ সিঙে কয় যে স্বাস্থ্য খণ্ডৰ শেহতীয়া প্ৰত্যাহ্বানসমূহৰ বাবে জৈৱ চিকিৎসা সমাধানৰ গোলকীয় প্ৰচেষ্টাত ভাৰতেও বৰঙণি যোগাব পাৰে। বৈজ্ঞানিক সামৰ্থ্য শক্তিশালী কৰি তোলাৰ বাবে দেশ সাজু হৈ উঠা বুলি প্ৰকাশ কৰি তেওঁ কয় যে ভাৰতত বৰ্তমান গৱেষণা আন্তঃগাঁথনি বিকশিত হৈছে। স্বাস্থ্য খণ্ডৰ শেহতীয়া প্ৰত্যাহ্বানসমূহৰ প্ৰতি তাৎক্ষণিক সঁহাৰি দিবলৈও দেশ প্ৰস্তুত বুলি তেওঁ মত প্ৰকাশ কৰে। মন্ত্ৰীগৰাকীয়ে চৰকাৰ, শিক্ষা খণ্ড, উদ্যোগ খণ্ড তথা আন্তঃৰাষ্ট্ৰীয় মিত্ৰপক্ষসমূহৰ মাজৰ সহযোগিতা অধিক শক্তিশালী কৰাৰ পোষকতা কৰে।

০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কাইলৈ মুম্বাইত ষষ্ঠ সৰ্বভাৰতীয় চৰকাৰী ভাষা সন্মিলন আৰু হিন্দী দিৱস ২০২৬ৰ আৰম্ভণি সত্ৰত  ভাষণ দিব। গৃহ পৰিক্ৰমা মন্ত্ৰালয়ৰ অধীনত চৰকাৰী ভাষা বিভাগে দুদিনীয়া কাৰ্যসূচীৰে আয়োজন কৰা এই সন্মিলনৰ জৰিয়তে হিন্দী ভাষাৰ সংবৰ্ধনৰ লগতে অন্যান্য ভাৰতীয় ভাষাসমূহৰ লগতে হিন্দীৰ সমন্বয় সন্দৰ্ভত আলোচনা কৰিবলৈ বিশেষজ্ঞ, ভাষাবিদ, শিক্ষাবিদ তথা চৰকাৰী জ্যেষ্ঠ বিষয়াসকলে সুযোগ পাব। আৰম্ভণিৰ অধিবেশনত শ্ৰীশ্বাহে  হিন্দী ভাষাৰ ব্যৱহাৰ আৰু সংবৰ্ধনৰ ক্ষেত্ৰত আগবঢ়োৱা বৰঙণিৰ বাবে কেইবাগৰাকীও ব্যক্তি তথা প্ৰতিষ্ঠানক ২০২৫-২৬ বৰ্ষৰ ৰাজভাষা গৌৰৱ আৰু ৰাজভাষা কীৰ্তি বঁটা প্ৰদান কৰিব। এই অধিবেশনৰ সৈতে সংগতি ৰাখি ৰাষ্ট্ৰ গীত বন্দে মাতৰম আৰু এই গীতৰ ঐতিহাসিক, ভাষিক আৰু সাংস্কৃতিক তাৎপৰ্য সন্দৰ্ভত বিশেষ আলোচনা অনুষ্ঠিত হ'ব। এই সন্মিলনত বন্দে মাতৰমৰ প্ৰতি উৎসৰ্গিত ৰাজভাষা ভাৰতীৰ এটা বিশেষ সংস্কৰণকে ধৰি কেইবাখনো গ্ৰন্থ মুকলি কৰা হ'ব।

০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি ভাৰতীয় জনতা পাৰ্টীৰ কৰ্মকৰ্তাসকলৰ লগতে এন ডি এ মিত্ৰজোঁটৰ উপৰি কেইবাটাও স্বেচ্ছাসেৱী সংস্থাই অহা ১৭ ছেপ্তেম্বৰৰ পৰা ১৭ অক্টোবৰলৈ সেৱা সংকল্প অভিযান ৰূপায়ণ কৰিব বুলি প্ৰকাশ কৰিছে। মুম্বাইত সংবাদ মাধ্যমৰ আগত শ্ৰীশ্বাহে প্ৰকাশ কৰা অনুসৰি এই অভিযানৰ জৰিয়তে জনভাগিদাৰী আন্দোলনৰ মাধ্যমেৰে বিকশিত ভাৰতৰ সংকল্প আগুৱাই নিয়াৰ লক্ষ্য লোৱা হৈছে। ১৭ ছেপ্তেম্বৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ জন্মদিৱস হোৱাৰ লগতে অহা অক্টোবৰ মাহত শ্ৰীমোদীৰ মুখ্যমন্ত্ৰী আৰু প্ৰধানমন্ত্ৰী হিচাপে জনসেৱাত জড়িত হৈ থকাৰ ২৫ বছৰ সম্পূৰ্ণ হ'ব। ইয়াৰ লগতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দিক-দৰ্শনত এন ডি এ চৰকাৰৰ বিভিন্ন আন্তঃগাঁথনি, সামাজিক তথা সাংস্কৃতিক পদক্ষেপৰ ওপৰত আলোকপাত কৰে।

০০০০

কেন্দ্ৰীয় গৃহ তথা সমবায় মন্ত্ৰী অমিত শ্বাহে আজি ভাৰতীয় ৰত্ন তথা অলংকাৰ উদ্যোগৰ সমগ্ৰ পৰিবেশতন্ত্ৰ আৰু পৰীক্ষাগাৰত নিৰ্মিত হীৰাৰ নিৰ্মাণ শৃংখলৰ চাবিকাঠি দেশৰ ভিতৰতে ৰাখিবলৈ এই উদ্যোগ খণ্ডটোলৈ আহ্বান জনায়। মুম্বাইত অনুষ্ঠিত ৫২ সংখ্যক ভাৰতীয় ৰত্ন আৰু অলংকাৰ বঁটা অনুষ্ঠানত ভাষণ দি শ্ৰীশ্বাহে কয় যে পৰীক্ষাগাৰত নিৰ্মিত হীৰাই সমাদৰ লাভ কৰাৰ লগে লগে হীৰাৰ বাণিজ্যৰ প্ৰকৃতি সলনি হৈছে। বৰ্তমানৰ হীৰাৰ বজাৰতকৈ ভৱিষ্যতে এই খণ্ড ৫০ গুণ অধিক বিকশিত হ'ব বুলি তেওঁ মত প্ৰকাশ কৰে।

০০০০

ভাৰত আৰু আফগানিস্তানৰ মাজৰ তিনিখনীয়া টি-টুৱেণ্টি আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেল খন্তেক পাছতে দিল্লীৰ অৰুণ জেটলী ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। খেলখনত ভাৰতে টছত জিকি প্ৰথমে বলিঙৰ সিদ্ধান্ত লয়।

প্ৰতিযোগিতাৰ দ্বিতীয়খন খেল অহা মঙলবাৰে আৰু তৃতীয় তথা অন্তিমখন খেল অহা বৃহস্পতিবাৰে অনুষ্ঠিত হ'ব।

০০০০

ভাৰতৰ মহিলা হকী দলে একেৰাহে তৃতীয় বাৰৰ বাবে জুনিয়ৰ এছিয়া কাপ খিতাপ দখল কৰিছে। যোৱাবাৰৰ চেম্পিয়ন দলটোৱে আজি বিয়লি চীনৰ মুকীত অনুষ্ঠিত চূড়ান্ত খেলত ১-০ ব্যৱধানত চীনক পৰাস্ত কৰে। ভাৰতৰ হৈ ছানিকা চন্দ্ৰকান্ত মানেয়ে খেলৰ ১৭ মিনিটত একমাত্ৰ গ'লটো কৰে।

০০০০

পেৰা বেডমিণ্টনত টকিঅ'ৰ পেৰা অলিম্পিকত সোণৰ পদক লাভ কৰা প্ৰমোদ ভগতে আজি জাপান ইণ্টাৰনেচনেলত পুৰুষৰ ছিংগলছ এছ এল থ্ৰী শিতানত সোণৰ পদক লাভ কৰিছে। তদুপৰি ভগতে পুৰুষৰ ডাবলছৰ এছ এল থ্ৰী-এছ ইউ ফাইভ শিতানতো সুকান্ত কদমৰ সৈতে ৰূপৰ পদক লাভ কৰিছে। ছয় বাৰৰ বিশ্ব চেম্পিয়ন ভগতে ছিংগলছৰ চূড়ান্ত খেলত ভাৰতীয় খেলুৱৈ উমেশ কুমাৰক ২১-১৬, ২১-৮ ফলাফলত পৰাস্ত কৰি এই খিতাপ লাভ কৰে। আনহাতে, সুকান্ত কদমৰ সৈতে যুটীয়াভাৱে ৫-২১, ১৫-২১ ফলাফলত ইণ্ডোনেছিয়াৰ হিকমত ৰামদানি আৰু ফ্ৰেডি ছেটিয়াৱানৰ হাতত পৰাস্ত হৈ ৰূপৰ পদকতে সন্তুষ্ট হ'বলগীয়া হয়।

০০০০

সমাপ্ত